**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 1-11-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছত্তিশগড়ৰ নয়া ৰায়পুৰত ব্ৰহ্মকুমাৰী সংস্থা শান্তি শিখৰ নামৰ আধ্যাত্মিক শিক্ষা শান্তি আৰু ধ্যানৰ এটা অত্যাধুনিক কেন্দ্ৰ মুকলি কৰে।

২। ভাৰতে সুস্থ নাৰী, সবল পৰিয়াল অভিযানৰ অধীনত তিনিটা বিশ্ব অভিলেখেৰে গীনিজ বুকত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

৩। ৰাজ কুমাৰ আৰোৰাই আজি প্ৰতিৰক্ষা সেৱাৰ বিত্তীয় উপদেষ্টা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

৪। বিহাৰৰ অধিকাংশ ঠাইত হৈ থকা বতাহ বৰষুণৰ বাবে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান বাৰুকই প্ৰভাৱিত হৈছে।

আৰু

৫। ১৯৭২ চনত মিউনিখ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় হকী দলৰ প্ৰাক্তন গ'ল ৰক্ষক মেনুৱেল ফেড্ৰিকৰ দেহাৱসান ঘটিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছত্তিশগড়ৰ নয়া ৰায়পুৰত ব্ৰহ্মকুমাৰী সংস্থা শান্তি শিখৰ নামৰ আধ্যাত্মিক শিক্ষা শান্তি আৰু ধ্যানৰ এটা অত্যাধুনিক কেন্দ্ৰ মুকলি কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ উন্নয়নৰ বিষয়টো ৰাজ্যখনৰ উন্নয়নৰ সৈতে জৰিত হৈ আছে। তেওঁ কয় যে এই মন্ত্ৰকে সাৰোগত কৰি ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ ৰূপে গঢ়ি তুলিবৈল চৰকাৰ বদ্ধপৰিকৰ। এই প্ৰচেষ্টাত ব্ৰহ্মকুমাৰীৰ দৰে সংস্থাসমূহৰ ভূমিকা আছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয় কেয়, যে ব্ৰহ্মকুমাৰী সংস্থাই কম কথা অধিক সেৱাত বিশ্বাস কৰে। তেওঁ লগতে আজি মুকলি কৰা কেন্দ্ৰটো অনাগত সময়ত বিশ্ব শান্তিৰ প্ৰতি অৰ্থবহ প্ৰচেষ্টাৰ গুৰুত্বপূৰ্ণ মঞ্চ ৰূপে পৰিগণিত হ'ব বুলি শ্ৰী মোদীয়ে আস্থা প্ৰকাশ কৰে।

বাইট ...

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে নয়া ৰায়পুৰৰ শ্ৰীসত্য সাই সঞ্জীৱনী চিকিৎসালয় পৰিদৰ্শন কৰে আৰু দিল কী বাত কাৰ্যসূচীৰ অধীনত প্ৰায় আঢ়ৈ হাজাৰ শিশুৰ সৈতে মত বিনিময় কৰে। জন্মৰে পৰা হৃদৰোগত আক্ৰান্ত এই শিশুকেইটিয়ে চিকিৎসালয়খনত বিনামূলীয়া চিকিৎসা লাভ কৰি আছে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে শিশুকেইটিক গীফ্ট অৱ লাইভ প্ৰমাণপত্ৰ প্ৰদান কৰে। প্ৰধানমন্ত্ৰীয়ে আজি ৰায়পুৰ ভ্ৰমণকালত ছত্তিশগড় বিধানসভাৰ নতুন ভৱন আৰু বিধানসভা চৌহদত স্থাপন কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী পাজপেয়ীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে ছহিদ বীৰ নাৰায়ণ সিং স্মাৰক আৰু জনজাতীয় মুক্তিযোদ্ধা সংগ্ৰহালয়ো উদ্বোধন কৰিব।

ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে সুকীয়া ছত্তিশগড় ৰাজ্য গঠনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত ৰূপালী জয়ন্তী উদযাপন অনুষ্ঠানত ভাগ ল'ব। ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে পথ, উদ্যোগ, স্বাস্থ্যসেৱা আৰু শক্তিখণ্ডৰ ১৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooo

ভাৰতে সুস্থ নাৰী, সৱল পৰিয়াল অভিযানৰ অধীনত তিনিটা  বিশ্ব অভিলেখেৰে গীনিজ বুকত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।। ১৭ ছেপ্তেম্বৰৰ পৰা দুই অক্টোবৰলৈ অনুষ্ঠিত এই কাৰ্যসূচীত বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰে। এই পদক্ষেপৰ অধীনত কেৱল এমাহত এটা স্বাস্থ্য সেৱা প্লেটফৰ্মত সৰ্বাধিক সংখ্যক লোকে পঞ্জীয়ন কৰাৰ অভিলেখ গঢ়ে। তদুপৰি এই অভিযানে এসপ্তাহত স্তনৰ কৰ্কট ৰোগৰ অনলাইন পৰীক্ষাত সৰ্বাধিক সংখ্যক লোকে স্বাক্ষৰ কৰাৰো অভিলেখ গঢ়ে। উল্লেখযোগ্য যে, এই অভিযানৰ অধীনত ৯ লাখ ৯৪ হাজাৰৰো অধিক মহিলাই অনলাইন পৰীক্ষাৰ বাবে স্বাক্ষৰ কৰে। তদুপৰি ৰাজ্যিক পৰ্যায়ত এক লাখ ২৫ হাজাৰ লোকে এসপ্তাহত উচ্চ ৰক্তচাপ, দেহৰ উত্তাপকে ধৰি শৰীৰৰ প্ৰয়োজনীয় মাপকাঠীৰ অনলাইন পৰীক্ষাৰ বাবে স্বাক্ষৰ কৰাৰ ক্ষেত্ৰতো অভিলেষ গঢ়ে। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অভিযানত কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান, চিকিৎসা মহাবিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ উপৰি ২০ টা মন্ত্ৰালয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। অভিযানত পাঁচ লাখৰো অধিক পঞ্চায়ত প্ৰতিনিধি, বিদ্যালয় আৰু মহাবিদ্যালয়ৰ এক কোটি ১৪ লাখ ছাত্ৰ-ছাত্ৰী, আত্মসহায়ক গোটৰ ৯৪ লাখ সদস্য আৰু পাঁচ লাখ অন্যান্য সদস্যই অংশগ্ৰহণ কৰিছে। এই সাফল্য স্বাস্থ্যৱতী মহিলা, সৱল পৰিয়াল আৰু বিকশিত ভাৰত নিৰ্মাণত দেশৰ চৰকাৰী ব্যৱস্থা, ডিজিটেল স্বাস্থ্য উদ্ভাৱন আৰু সমূহীয়া প্ৰচেষ্টাৰ উদাহৰণ হিচাপে বিবেচিত হৈছে।

ooooo

ৰাজ কুমাৰ আৰোৰাই আজি প্ৰতিৰক্ষা সেৱাৰ বিত্তীয় উপদেষ্টা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ১৯৯০ চনৰ বেটচৰ বিষয়া শ্ৰী আৰোৰাই ইয়াৰ পূৰ্বে প্ৰতিৰক্ষা হিচাপ-নিকাচ বিভাগৰ মহা নিয়ন্ত্ৰক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ লগতে প্ৰতিৰক্ষা হিচাপ-নিকাচ বিভাগৰ বিভিন্ন কামাণ্ড আৰু ক্ষেত্ৰ কাৰ্যালয়ৰ সংহত বিত্তীয় উপদেষ্টা হিচাপে কাম কৰিছিল।

oooooo

বিহাৰৰ অধিকাংশ ঠাইত হৈ থকা বতাহ বৰষুণৰ বাবে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান বাৰুকেই প্ৰভাৱিত হৈছে। এন ডি এ আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলৰ নিৰ্বাচনী সভা কেইবাঠাইতো বতাহ বৰষুণৰ বাবে আৰম্ভ কৰিব পৰা হোৱা নাই। প্ৰতিকুল বতৰৰ বাবে হেলিকপ্টাৰৰ উৰণ আৰম্ভ কৰিব নোৱাৰাৰ ফলত তাৰকা প্ৰচাৰকসকল এটা সমষ্টিৰ পৰা আন এটা সমষ্টিলৈ যোৱাত জটিলতাৰ সন্মুখীন হৈছে। অৱশ্যে মুখ্যমন্ত্ৰী নীতিশ কুমাৰ জন সুৰজ পাৰ্টিৰ নেতা প্ৰশান্ত কিশোৰ আৰু কেইবাগৰাকীও আগশাৰীৰ প্ৰচাৰকে নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত ৰোড শ্ব'ত ভাগ লৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহৰ গোপাল গঞ্জত হ'বলগীয়া নিৰ্বাচনী সভা এতিয়ালৈকে আৰম্ভ হোৱা নাই। শ্ৰীশ্বাহে আজি সমষ্টিপুৰ আৰু বৈশালী জিলাৰ কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দিয়াৰ কথা। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই বিয়লি ভাগলৈ মুজফফৰপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিব। ইপিনে মহা মিত্ৰজোঁটৰ নেতাসকলে মুখ্যমন্ত্ৰী ৰোজগাৰ যোজনাৰ অধীনত মহিলা

হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ ১০ হাজাৰ টকা হস্তান্তৰ কৰি এন ডি এই নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰা বুলি অভিযোগ তুলিছে। আৰ জে ডি নেতা মনোজ ঝাই বিষয়টো গুৰুত্বসহকাৰে ল'বলৈ দাবী জনাই নিৰ্বাচন আয়োগলৈ দাবী জনাই এখন পত্ৰ লিখিছে।

০০০০০০

জামাইকাত মেলিছা নামৰ ঘূৰ্ণীবতাহৰ ফলত কমেও ১৯ জন লোকৰ মৃত্যু হৈছে। জামাইকাৰ তথ্য মন্ত্ৰী ডানা মৰিছ ডিকছনে জনোৱা মতে ঘূৰ্ণীবতাহত বেয়াকৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ অভিযান অব্যাহত আছে। বহু অঞ্চল সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰাৰ লগতে অধিক সংখ্যক দ্বীপতে বিদ্যুৎ কৰ্তন কৰা হৈছে। জনসাধাৰণে বান আৰু বোকাৰ পৰা তেওঁলোকৰ ঘৰসমূহ বচোৱাৰ বাবে চেষ্টা কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। তদুপৰি হাজাৰ হাজাৰ  সাহায্যৰ অপেক্ষাত আছে। দেশখনৰ অধিকাংশ অঞ্চলত খোৱাপানীৰ সমস্যা হোৱাৰ উপৰি খাদ্য সামগ্ৰীৰো নাটনি আৰম্ভ হোৱা বুলি তেওঁ জানিবলৈ দিয়ে। জামাইকাৰ ৰাজধানী কিংষ্টোনৰ মূল বন্দৰৰ পৰা সঘনে সাহায্য সামগ্ৰী প্ৰেৰণ কৰি থকা হৈছে। এই ঘূৰ্ণীবতাহৰ ফলত হাইটিত কমেও ৩০ জন লোকৰ মৃত্যু হোৱা বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছ।

০০০০০

ইজিপ্টে গিৰ্জাৰ গ্ৰেট পিৰামিডৰ কাষৰীয়া অঞ্চলত Grand Egyptian Museum এটা আনুষ্ঠানিকভাৱে মুকলি কৰিছে। বিশ্বৰ সৰ্ববৃহৎ পুৰাতাত্বিক সংগ্ৰহালয় হিচাপে পৰিগণিত এই সংগ্ৰহালয়টোত ৭ হাজাৰ বছৰৰ পৰিধিয়ে সামৰা প্ৰায় একলাখ কলাকৃতি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। টিউটানখামুনৰ মিনাৰৰ ৫ হাজাৰ পাঁচবিধ সামগ্ৰীৰ সকলোখিনিয়েই ইয়াত প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰা হৈছে। পাঁচ লাখ বৰ্গ মিটাৰ এলেকা আগুৰা আৰু ১২০ কোটি ডলাৰ ব্যয়সাপেক্ষ এই বৃহৎ চৌহদটো বছৰি ৮০ লাখ গৰাকী পৰ্যন্ত দৰ্শনাৰ্থীয়ে চাব পাৰিব আৰু ইয়াৰ জৰিয়তে ইজিপ্টৰ পৰ্যটন খণ্ডই ব্যাপক প্ৰসাৰ লাভ কৰিব বুলি আশা প্ৰকাশ পাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছত্তিশগড়, হাৰিয়ানা, কৰ্ণাটক, কেৰালা আৰু মধ্য প্ৰদেশৰ ৰাজ্য গঠন দিৱস উপলক্ষে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। এই উপলক্ষে শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে ছত্তিশগড়ৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে ৰাজ্যখনে প্ৰগতিৰ নতুন মান স্থাপনত ব্ৰতী হৈছে। তেওঁ কয়, যে এসময়ত নক্সালবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যখনৰ ভালেমান এলেকা সম্প্ৰতি উন্নয়নৰ ক্ষেত্ৰত প্ৰতিযোগিতাত ফেৰ মাৰিব পৰা হৈছে। আন এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে কৃষকসকলৰ অক্লান্ত পৰিশ্ৰম, সৈনিকসকলৰ অদম্য সাহস আৰু যুৱ প্ৰজন্মৰ উল্লেখনীয় প্ৰদৰ্শনৰ বাবে হাৰিয়াণাত ঐতিহাসিক ভূমি সমগ্ৰ দেশৰ বাবে নিদৰ্শন হৈ উঠিছে।

কৰ্ণাটকৰ জনসাধাৰণলৈ অভিনন্দন জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজ্যখন জ্ঞানৰ সৈতে সংপিক্ত প্ৰগতিৰ প্ৰতিমূৰ্তি স্বৰূপ। শ্ৰীমোদীয়ে আন এটা বাৰ্তাত কয় যে দেশৰ মধ্যভাগত উৰস্থিত মধ্যপ্ৰদেশ সম্প্ৰতি প্ৰতিগৰাকী ব্যক্তিৰ আকাংক্ষ্যাত অগ্ৰাধিকাৰ দি প্ৰতিটো খণ্ডতে প্ৰগতিৰ নতুন গতি লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে

ৰাজ্যখনৰ প্ৰতিভাৱান আৰু কঠোৰ পৰিশ্ৰমী জনসাধাৰণে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সংকল্প পূৰণৰ ক্ষেত্ৰত অমূল্য অৱদান আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

১৯৭২ চনত মিউনিখ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতীয় হকী দলৰ প্ৰাক্তন গ'ল ৰক্ষক মেনুৱেল ফেড্ৰিকৰ দেহাৱসান ঘটিছে। মৃত্যুৰ সময়ত তওঁৰ বয়, হৈছিল ৭৮ বছৰ। কেৰালাৰ কন্নুৰৰ নিবাসী ফেড্ৰিক অলিম্পিকত পদক লাভ কৰা ৰাজ্যখনৰ প্ৰথনগৰাকী খেলুৱৈ আছিল। পি আৰ শ্ৰিজেছে ২০২১ চনত এই অভিলেখ স্পৰ্শ কৰে। গ'ল ৰক্ষাৰ নিৰ্ভীক কৌশলৰ বাবে পৰিচিত ফেড্ৰিকে ১৯৭১ ৰ -পৰা ১৯৭৮ চনলৈ ভাৰতক প্ৰতিনিধিত্ব কৰে আৰু দুবাৰ বিশ্বকাপত অংশগ্ৰহণ কৰে। ১৯৭৩ চনত এমষ্টলৰীন অনুষ্ঠিত প্ৰতিযোগিতাত তেওঁ দলে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ২১০১৯ চনত ধ্যানচন্দ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত ফেড্ৰিকক দেশৰ শ্ৰেষ্ঠ গ'ল ৰক্ষকসমূহৰ অন্যতম বুলি গণ্য কৰা হয়। হকী ইণ্ডিয়াৰ অধ্যক্ষ দিলীপ টিৰ্কীয়ে খেলুৱৈগৰাকীক লৈ শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁক দক্ষ গ'ল ৰক্ষক বুলি অভিহিত কৰে আৰু তেওঁৰ খেলুৱৈ জীৱনে ভৱিষ্যত প্ৰজন্মক সদায় অনুপ্ৰেৰণা যোগায় যাব।

০০০০০০